**বিজ্ঞান ধাৰাৱাহিক – অবিৰত খোজ ...**

**খণ্ড – ৪৭ নগৰ মহানগৰ পৰিৱহন ব্যৱস্থাৰ উন্নয়ন**

**শ্ৰী নীলাক্ষী শৰ্মা ভট্টাচাৰ্য্য**
**( মূল লেখনিৰ আধাৰত)**

**(ঘোষণা আৰু সংগীত)**

**চৰিত্ৰ সমূহ –**

১. নীতা – ১১ বছৰীয়া ছোৱালী
২. ৰাজু – ১৭ বছৰীয়া ল'ৰা
৩. মিনতি – নীতা আৰু ৰাজৰ মাক
৪. অনন্ত – নীতা আৰু ৰাজৰ দেউতাক
৫. দিলীপ – নীতা আৰু ৰাজৰ খুৰাক
৬. আইতা – নীতাৰ আইতাক

(চৰিত্ৰ সমূহৰ মাজত কথোপকথন হোৱাৰ দৃশ্য।)

নীতা – (বিৰক্ত হৈ কৈ উঠিব) মা, দহ বাজিবৰেই হ'ল চোন। খুৰা এতিয়ালৈকে আহিয়েই পোৱা নাই। আমি কেতিয়া যাম ফুৰিবলৈ?

মিনতি – আহিব ৰ'বা চোন। খুৰাই দিল্লীৰ পৰা আহিলে বহুতো কাম লৈ আহে নহয়।

অনন্ত – হয় হে, পল্লমেই হ'ল। তুমি পাকঘৰৰ ৰন্ধা – বঢ়া কামকে আগবঢ়াই থোৱা সি আহি পায়হি মানে।

আইতা –খ'ব দে। চিন্তা কৰিব নালাগে। মই আছোঁ নহয়। কিবা অলপ ৰান্ধি থ'ম। তহঁতে ফুৰি চাকি আহি শান্তিৰে ভাত খাব পাৰিবি।

(বেল বজাৰ শব্দ)

নীতা – খুৰা পালেহি হ'বলা –

(দুৱাৰ খোলাৰ শব্দ)

অনন্ত – অ' দিলীপ আহিলি? ইমান দেৰী কৰিলি যে?

দিলীপ – ইস্ ৰাম নক'বা আৰু। যি দুৰ্ঘটনা এটা দেখি আহিলো নহয়। একেবাৰে কিবা লাগি গ'লহে।

নীতা আৰু অনন্ত – (একেলগে অগা পিচাকৈ ক'ব) ক'ত খুৰা/ ক'ত দিলীপ?

মিনতি – কাৰ দুৰ্ঘটনা হ'ল?

দিলীপ – বৰ বেয়াকৈ দুৰ্ঘটনা হ'ল। ল'ৰা এজন থিতাতে ঢুকাই থাকিল।

আইতা – ভালদৰে ক চোন।

দিলীপ – সেই গুৱাহাটী ক্লাবৰ ঘূৰণীয়া ( rotary) টো যে, মানে গোল চক্কৰ টো, তাতেই দুৰ্ঘটনা টো হ'ল।

নীতা – ইয়ে ৰাম, ৰাজ দাদা চোন বাইক খন লৈ সেইফালেই ওলাই গৈছিল। আহিয়েই পোৱা নাই।

মিনতি – হয় পায়, ক'লৈ যে ওলাই যায় ল'ৰাটো।

অনন্ত – ৰ'বা চোন চিন্তা নকৰিবা। সি সময় মতেই পাবহি।

(বাইকৰ ৰখোৱাৰ শব্দ)

অনন্ত – সেয়া পালেহি হ'বলা।

মিনতি – মই যে কিমান মানা কৰিছিলো, তাক বাইক খন কিনি দিবলৈ জানানে দিলীপ?

নীতা – মোক হ'লে দেউতাই চাইকেল এখনেই নিদিয়ে।

অনন্ত – উস্ ৰাম, সি চম্ভালিব পাৰে দিয়া নিজকে। মোৰ ল'ৰা ইমান অপদাৰ্থ নহয়।

আইতা – দিলীপে ক'ত কি দুৰ্ঘটনা দেখি আহিছে শুনিবিনে তহঁতি। তহঁতৰ চিঞৰ – বাখৰ খনহে বেছি হৈছে।

অনন্ত – তাকেইতো, বহ দিলীপ, কচোন ভালদৰে কি হ'ল?

(ৰাজৰ প্ৰৱেশ)

ৰাজ – অ' খুৰা আহিলা?

দিলীপ – ওঁ। কি খবৰ অ’ তোৰ? খব বাইক চলাই ঘুৰিছ হ’বলা?

ৰাজ – এ নাই। শিলপুখুৰীত কাম এটা আছিল।

দিলীপ – তই দুৰ্ঘটনাটো দেখিছ নেকি?

ৰাজ – নাই, শুনিহে েহিছো। তুমি দেখিছা নেকি?

দিলীপ – এৰা অ’। সেই ৰটাৰীটোৰ চাৰিওফালৰ পৰা জোৰত গাড়ীবোৰ আহি আছিল নহয়। মই শিলপুখুৰীৰ ফালৰ পৰা গৈ আছিলো। আকৌ বি বৰুৱাৰ ফালৰ ৰাস্তাটোৰ পৰাও গাড়ী বোৰ আহি আছিল। উজান বজাৰৰ আৰু দীঘলী পুখুৰীৰ ফালৰ পৰা গাড়ী বাছ, বাইক এইবোৰ আহি আছিল। চিটি বাছবোৰ কিমান যে জোৰত চলাইছে। তাতেনো ল’ৰা জনে ৰাস্তা কিয় পাৰ হ’ব লাগে? সি বি বৰুৱাৰ ফালৰ পৰা উজান বজাৰৰ পিনে যাবলৈ ওলাইছিল। দিলে নহয় বাইক এখনে খুন্দা মাৰি। ওফৰি পৰি একেবাৰে পিছে পিছে জোৰত আহি থকা বাছ এখনৰ তলতে সোমাল। ল’ৰা জনৰ গাৰ ওপৰেদি্যেই বাছখন চলি গ’ল। থিতাতে ঢুকাল পাই। বাইকৰ ল’ৰাজনো উফৰি পৰিল। ভাগ্যে মূৰত হেলমেট আছিল বুলি বাছি গ’ল। গোটেই খন হুৱাদুৱা লাগিল। মই বেছি পৰ নৰ’লো আৰু উভতি আহিলো। বাইকৰ ল’ৰাজনক লগে লগে কোনোবাই হস্পিতেললৈ লৈ গৈছে।

মিনতি – ইস্ ৰাম! মোৰ গাৰ নোম শিয়ৰি উঠিছে পাই। - ক’ৰ বা ল’ৰা!

আইতা - হয় পাই, এই বাইক, বাছ বোৰ ইমান জোৰত কিয়নো চলাই জানো?

ৰাজ – খোজ কাঢ়ি ৰাস্তা পাৰ হোৱা ল’ৰাজনৰ গাতহে দোষ আছে যেন লাগিছে। ভালদৰে চোৱাই নাই চাগে। ম’বাইলত কথা পাতি পাতি ৰাস্তা পাৰ হয় নহয়।

দিলীপ – হয় দে, কাক যে দুষিম ভগৱানেহে জানে।

অনন্ত – এই গুৱাহাটীৰ ৰাস্তা বোৰত ওলাবই নোৱাৰা হৈছে। ইমান গাড়ী মটৰৰ হুলস্থুল।

মিনতি – হয় দেই, অসহ্য লাগি যায়।

দিলীপ – অসমৰ বাহিৰতো একেই। কিছুদিন আগতে ঠিক এনে এটা ঘটনা মুম্বাইত দেখিস আহিছো। ৱেষ্টাৰ্ন একেস্প্ৰছ হাইৱেৰ আন্ধেৰী ফ্লাই অভাৰৰ ওচৰত দুৰ্ঘটনা এটা হৈছিল। ময়ো টেক্সী এখন লৈ গৈ আছিলো। এজন ল’ৰা প্লেণ্টাৰ মেডিয়ানত ম’বাইলত কথা পাতি পাতি ৰৈ আছিল। তাৰ পাছত হঠাতে ৰাস্তা পাৰ হবলৈ গৈ ট্ৰেফিকৰ মাজত সোমাই পৰিল নহয়। ইমান জোৰত গাড়ীবোৰ চাণ্টাক্ৰুজ ফ্লাই অভাৰৰ পৰা নামি গৈ আছিল। এনেকুৱা ঘটনাক আত্মহত্যা বুলিয়েই ক’ব পাৰি দেই।

মিনতি – হয় দেই।

অনন্ত – মানুহে এনেদৰে য'তে ত'তে ৰাস্তা পাৰ হ'ব নালাগে নহয়। অলপ দূৰ খোজ কাঢ়ি আগুৱাই সুবিধাজনক ঠাইত চাই চিতি ৰাস্তা পাৰ হ'ব লাগে।

ৰাজ – সেইবুলি আৰু খোজকঢ়া মানুহে ৰাস্তাটোৰ সিপাৰে যাবলৈ সুবিধা জনক ঠাই বিচাৰি আগুৱাই গৈ থাকিব নে? এইটো কেনে ধৰণৰ কথা? একে বাৰে সুবিধাজনক নহয় দেই।

অনন্ত – গোটেই জীৱনৰ পথতেই বহু অসুবিধা আহিব ৰাজ। অলপ চাই চিতি সাৱধানে চলিবই লাগিব।

দিলীপ – জীৱনৰ কথা বেলেগ ককাইদেউ, কিন্তু ৰাস্তাত খোজকঢ়া মানুহৰ বাবে কিমান অসুবিধা, মানুহে য'তে ত'তে ৰাস্তা কিয় পাৰ হয়? ৰাস্তাবোৰ কি অকল যান-বাহনৰ বাবেহে সাজিছে নেকি? পথাচাৰীৰ বাবে সুবিধা কিয় নাই? এনেকুৱা বহু প্ৰশ্ন আহি পৰে।

ৰাজ – হয়তো খুৰা।

দিলীপ – ধৰি লোৱা, মই ২০ মিটাৰ বহল ফ'ৰ – লে'ন হাইৱে এটাৰ এইপাৰে আছো।

ৰাজ – ফ'ৰ – লে'ন ৰাস্তা কিমান বহল থাকে খুৰা?

দিলীপ – ইণ্ডিয়ান ৰ'ড কংগ্ৰেছৰ গাইডলাইন অনুসৰি ২৩.৫ মিঃ বহল হ'ব লাগে। এতিয়া ধৰা, ২০ মিঃ বহল ৰাস্তা এটাৰ ঠিক সিপাৰে মোৰ অফিচ বা দোকান। এতিয়া সুবিধা জনক ক্ৰিছং বিচাৰি মই ৰাস্তাটোৰ এইপাৰেই যদি আৰু ৫০ মিটাৰ খোজকাঢ়ি আগুৱাই গৈ থাকিব লাগে, তেনেহ'লে মুঠতে মই ১২০ মিঃ খোজ কাঢ়িব নালাগিব নে? অৰ্থাৎ মোক প্ৰায় ছয় গুণ বেছি সময় লাগিব আৰু কষ্টও হ'ব। আৰু কিছুমান ঠাইত যে ফুট অভাৰ ব্ৰিজ দিয়ে, কেইজন মানঘে কষ্ট কৰি চিৰি বগাই উঠি গৈ ৰাস্তা পাৰ হয় নো? তাতকৈ জীৱনৰ ৰিস্ক লৈ সকলোৱেই ঠাইতে ট্ৰেফিকৰ ভিৰৰ মাজেৰেই ইপাৰ সিপাৰলৈ খোজকাঢ়ি, নাইবা দৌৰিয়েই যাব।

আনকি গাড়ী বা বাইক বোৰেও কেতিয়াবা নিয়ম ভংগ কৰি ওলোটা দিশে আগুৱাই গৈ থাকে যে, আৰু যি ঠাইত ইউ-টাৰ্ণ ল'ব নালাগে সেই ঠেইতেই আচৰিত ধৰণে টাৰ্ণ লয়।

অনন্ত – এইবোৰ আচলতে এতিয়া মানুহৰ স্বভাৱেই হৈ পৰিহে ।চাই-চিতি চলিবলৈ কাৰো সময়েই নাই। এনেবোৰ কাৰণোতো পথাচাৰীয়েই ভুক্তভোগী হয়।

দিলীপ – তাকেইতো। আৰু পথাচাৰীয়ে প্ৰাণটো হাতত লৈ খোজ কাঢ়িব লগীয়াত পৰে। গুৱাহাটী বা আমাৰ সৰু সৰু নগৰ চহৰ বোৰতকৈ আন ডাঙৰ ডাঙৰ মহানগৰত এইটো অধিক গুৰুতৰ সমস্যা ৰূপে দেখা

দিছে। যান-বাহনৰ দুৰ্ঘটনা বাৰু ইন্সিউৰেন্স দাবী কৰিবপাৰেই। কিন্তু মানুহে? যি বোৰ ড্ৰাইভাৰে নিয়ম ভংগ কৰে, তেওঁলোকে এনেকুৱা কৰে যেনএকো দোষেই কৰা নাই। লাগে আন যান-বাহন বোৰৰ বা খোজকঢ়া মানুহৰ যিমানেই অসুবিধা নহওক কিয়।

মিনতি – আমি কিন্তু ইউৰোপলৈ যাওঁতে দেখিছিলো তাত গাড়ী মটৰ বোৰ বৰ শৃংখলাবদ্ধ ভাৱে চলাই দেই। আৰু পথচাৰীক যেন সন্মান দেখুৱাই হে গাড়ী চলায় এনে লাগে। ৰাস্তা, ফুট-পাথ বোৰ কিমান আহল-বহল।

নীতা – ও মা কিমান যে ভাল লাগিছিল খোজ কাঢ়ি।

দিলীপ – সেইবোৰ উন্নত দেশৰ কথাহাই বেলেগ হে বৌ। তাত জনসংখ্যা ও বহুত কম নহয়। ৰাস্তা পথ বোৰো সাজিতেও টকা পইচা খৰচ কৰে সথেষ্ট। ভাল ভাল আঁচনি লয়। আমাৰ দেশৰ লগত তুলনা নহয়।

মিনতি – আমাৰ ইয়াৰ ডাঙৰ ডাঙৰ হাইৱেৰ কথা বাদেই। আমাৰ ঘৰৰ সমুখৰ এই সৰু ঠেক ৰাস্তাটোৰেই কিমান জোৰত যে গাড়ী বাইক বোৰ চলাই লৈ যায়, ভয়েই লাগে।

আইতা- এই ঠেক ৰাস্তাটোতেই আবেলি পৰত দুয়োফালৰ পৰা ইমান গাড়ী আহি থাকে, খোজ কাঢ়িবলৈ জেগাই নাথাকে। নলাবোৰ যিমান যে বহল। নলাতে পৰো বুলি ভয়েই লাগে।

দিলীপ – মেইন ৰোডত প্লেন্টাৰ মেডিয়ান দিয়া থাকে যাতে পথাচাৰীয়ে য'তে ত'তে ৰাস্তা পাৰ হ'ব নোৱাৰে আৰু গাড়ী মটৰ বিলাকো সুষম গতিত গৈ থাকিব পাৰে।

আইতা – বুইছনে, মই যে কেতিয়াবা সেই মুকলি পাৰ্ক খনলৈ ককাকৰ লগতে ওলাই যাওঁ, ৰাস্তা পাৰ হবৰ সময়ত ককাকৰ হাতত ভালদৰে ধৰি লওঁ। নহ'লে গাড়ী মটৰৰ হুলস্থুলত মূৰটো বেয়াই লাগি যায়।

নীতা – বাঃ আইতা, ... তোমালোকে এতিয়াও হাতত ধৰা-ধৰিকৈ খোজ কাঢ়া, ভালেই হৈছে দিয়া ... হাঃ হাঃ (হাঁহে)

মিনতি – নীতা ... একো হঁহা কথা নহয় দেই।

নীতা, ৰাজ – দুয়ো পুনৰ হাঁহে।

দিলীপ – ৰাজ, তোমালোকৰ খুৰিয়েৰাই দিল্লীত খোজ কাঢ়িয়েই অফিচলৈ যায় নহয়, বজাৰ সমাৰ কৰিবলৈও যায়। তেওঁ আহি কয়হি ৰাস্তা পাৰ হোৱাটো কিমান যে অসুবিধা। যি কণ সময় চিগনেল দি গাড়ী ্বোৰ ৰখায় সিয়ে, সেইকণ সময়ত পথটোৰ আধা দূৰত্বও পাৰ হ'ব নোৱাৰি। ৰাস্তাৰ মাজতে পাচঁ মিনিট মান সময় ৰৈ থাকিব লাগে পুনৰ চিগনেল দিয়ালৈকে কেতিয়াবা হেনো দৌৰি দৌৰিয়েই এওঁ ৰাস্তাটো পাৰ হয়।

মিনতি – হয় দেই। আৰু ইমান ওচৰতে তেওঁৰ অফিচটো আছে যেতিয়া খোজ কাঢ়ি নাযাব নো কিয়?

ৰাজ – খুৰা, তুমিতো মুম্বাইলৈ গৈয়ে থাকা। মই ক’ৰবাত পঢ়িছো যে মুম্বাইত পাব্লিক ট্ৰান্সপৰ্টত যথেষ্ট মানুহে অহা যোৱা কৰে।

দিলীপ – ওঁ। আৰু বাছ ষ্টপেজ, ৰেল্বে ষ্টশ্যনলৈ মানুহে খোজকাঢৰিয়েই যায়। কিছুমানে অৱশ্যে অট’ বা ৰিক্সা লৈও যায়।

ৰাজ – আমাৰ ইয়াতো চিটি বাছত কিমান যে ভিৰ থাকে। বাছত উঠিবলৈ যাওঁতেতো আমি খোজকাঢ়িয়েই যাঁ আৰু ফুট পাথ বোৰৰো যিহে অৱস্থা। কেতিয়াবে চোন ফুটপাথৰ মেনহলট সোমায়ো মানুহ মৃত্যু মুখত পৰে। তদুপৰি বানপানী হলেতো একো নেদেখিয়েই, ক’ত ফুটপাথৰ মেনহ’ল, ক’ত বা আছে নলা।

অনন্ত – এৰা। আৰু ৰাস্তা বেয়া হ’লে, যিমান কথাটো আলোচনা হয়, ৰাস্তাৰ গাঁত মেৰামতি কৰাৰ কথা ক’ৰ্তিতো আলোচনা হয়, কিন্তু ফুট পাথৰ কথাটোত তেনেদৰে কোনেও বিশেষ গুৰুত্ব নিদিয়ে। চৰকাৰৰো খবৰ নাথাকে।

দিলীপ – ৰাষ্ট্ৰীয় ঘাই পথ আৰু কেন্দ্ৰীয় শাসিত ৰাজ্য সমুহৰ বাহিৰে আন বাটপথ আৰু যাতায়াত ব্যৱস্থাৰ দায়িত্ব ৰাজ্য চৰকাৰৰেই।

ৰাজ – ও খুৰা। তুমিতো কেন্দ্ৰীয় গড় কাপ্তানী বিভাগতেই কাম কৰা, তুমি এইবোৰ ভালদৰে জানিবা।

দিলীপ – হুম্..। নগৰ মহানগৰৰ বাট পথৰ দায়িত্ব পৌৰ নিগমৰ হাতৰেই ন্যস্ত থাকে। বাট পথ নিৰ্মাণ আৰু মেৰামতিৰ বাবে পৌৰ নিগমৰ বাজেটত বছৰি বহু টকা ধাৰ্য্য কৰা থাকে। তাৰোপৰি ৰাজ্য চৰকাৰৰ গড়কাপ্তানী বিভাগ আৰু ৰাজ্যিক পথ উন্নয়ন নিগম, এইবোৰ থাকেই, এই বিভাগ সমূহেও পথ উন্নয়নৰ বাবে নতুন নতুন প্ৰকল্প হাতত লয়।

তোমালোকে শুনি আচৰিত হ’বা, মুম্বাই মেট্ৰ’পলিটান ৰিজন ডেভেলপ্মেন্ট অথৰিটিয়ে ২০০৪ চনত যুগুচেতাৱা এটা ৰিপৰ্ট অনুসৰি ৪৪% মানুহে মুম্বাইত খোকাঢ়িকামলৈ বা অফিচলৈ অহা যোৱা কৰে আৰু ৩.১% মানুহে চাইকেল ব্যৱহাৰ কৰে। মাত্ৰ ২.৮ % মানুহে গাড়ী চলাই অহা যোৱা কৰে। এতিয়া অৱশ্যে গাড়ী চলোৱা মানুহৰ সংখ্যা ৪% লৈ বাঢ়িছে।

ৰাজ – হয় নেকি? আমাৰ ইয়াতো গাড়ী চলোৱা মানুহতকৈ বাইক চলোৱা মানুহৰ সংখ্যাই বেছি হ’ব।

দিলীপ – ও। গুৱাহাটীৰ পথত চলা গাড়ী মটৰৰ সংখ্যা এটা সমীক্ষা মতে এতিয়া প্ৰায় চাৰি লাখ হৈছেগৈ। ইয়াৰ ভিতৰত দুচকীয়া বাহনৰ সংখ্যা সথেষ্ট আছে।

অনন্ত – ব্যক্তিগত গাড়ী মটৰ, স্কুটাৰ, বাইক, চিটিবাছ, অটৰিক্সা, ট্ৰাক, ঠেলা আদি কিমান যে দিনৌ চলি থাকে।

নীতা – আৰু দেউতা আইচক্ৰীম ভান?

অনন্ত – ওঁ. আইচক্ৰীম ভান, কেৰিচিন তেলৰ ভান, অট'ভান, তাৰপৰি আকৌ এম্বুলেন্স, একে কেইতা ৰাস্তাৰে কম যান বাহন চলি থাকেনে?

নীতা – আজি কালি আকৌ অ'লা, উবেৰ এইবোৰো চলে নহয়।

দিলীপ – এৰা, গুৱাহাটীৰ দাঁতি কাষৰীয়া অঞ্চল যেনে হাজো, শুৱালকুচি, মিৰ্জা চন্দ্ৰপুৰ আদি ঠাইৰ পৰা গুৱাহাটীলৈ চাকৰি বা ব্যৱসায়ৰ বাবে কিমান মানুহ ঢাপলি মেলে। খোলা দিন বোৰত প্ৰায় ১ লাখ মানুহ প্ৰচিতটো পুৰা গুৱাহাটীলৈ আহে, গধূলি পৰত হে উভতি যায়। কিছুমানে সৰু সৰু ঘৰ ভাড়া কৰি থাকিয়েই লয় গুৱাহাটীত।

অনন্ত – সেইবাবেই মই বন্ধ দিনত হে গাড়ীখন লৈ ওলাই গৈ ভাল পাওঁ।

মিনতি – যোৱা দেৱালীৰ সময়ত যে আমি বাংগালুৰলৈ গৈছিলো, মাহীৰ ছোৱালী জনীৰ ঘৰত থকাকৈ। বা … অট'ৰিক্সা লৈ ওলাই গৈ সেই আউটাৰ ৰিং ৰডত কেনেকৈ যে ট্ৰাফিকত ফঁচিছিলো মনত আছেনে ৰাজ? ভাজ্ঞে নীতা আৰু মাক ঘৰত থৈ গৈছিলো।

দিলীপ- আচলতে যান বাহনৰ ভিৰ অলপ কম থাকিলে আৰু গৰম কম হ'লে অটৰিক্সা ভালেই লাগে। কিন্তু ট্ৰেফিকৰ ভিৰৰ মাজত সোমাই পৰিলে বৰ কষ্ট হয় দেই। আৰু কেতিয়াবা কিছুমান পুৰণি গাড়ী বা বাছৰ পৰা বৰ বেয়াকৈ ক'লা ধোঁৱা ওলাই নহয়। অট'ৰিক্সা বোৰ গৈ তেনেকুৱা ক'লা ধোঁৱাৰ ওচৰত ৰখাই দিয়ে যে, বৰ ক্ষতিকাৰক দেই স্বাস্থ্যৰ বাবে এইবোৰ।

মিনতি – ওঁ। ঘৰলৈ আহি পিছত ইমান মূৰ বিষায়।

নীতা – মোৰ যে উশাহ বন্ধ হৈ যাব যেন লাগে।

মিনতি – সেইকাৰণে নীতাক লৈ মই অট'ত উঠা বাদেই দিছো। আজিকালি যে সৰু সৰু কেচুৱা ল'ৰা ছোৱালী বোৰলৈ মাক দেউতাক বোৰে বাইকত অহা যোৱা সকৰে, ইমান প্ৰদূষণৰ মাজত, বৰ বেয়া কথা দেই। ল'ৰা ছোৱালীবোৰৰ লগে লগে একো বেমাৰ আজাৰৰ লক্ষণে দেখা নিদিলেও পিছলৈ এজমা বা আন শ্বাস প্ৰশ্বাসৰ ৰোগত ভুগিবগৈ পাৰে। বাকী দুৰ্ঘটনাৰ ভয়তো আছেই। অলপ টকা বা সময় বচাবলৈ গৈ ল'ৰা ছোৱালীৰ এনেকৈ বিপদ মতাহে হয়।

নীতা – আৰু শব্দ প্ৰদূষণৰ  কথাও মই পঢ়িছো কিতাপত।

দিলীপ – ও নীতা। বাট পথত যান-বাহন যিমানেই বাঢ়িছে, শব্দ প্ৰদূষণো বাঢ়িছে। সেয়াও স্বাস্থ্যৰ বাবে ক্ষতিকাৰক। এইবোৰ কথা কোনেও চিন্তা নকৰে। ধীৰে সুস্থিৰে গাড়ীখন চলাবলৈ কাৰো সময়ে নাই। অকণমান গাড়ী খনৰ স্পীড কমাব লগা হ'লেই বা ৰ'ব লগা হ'লেই অধৈৰ্য্য হৈ হৰ্ণ বজাই থাকে।

নীতা – ওঁ ... পোঁ... পোঁ...ভোঁ...ভোঁ। (হৰ্ণ বজোৱাৰ দৰে শব্দ কৰে)

ৰাজ – (হাঁহে) এইজনী ... (মৰমৰ সুৰত কয়)

নীতা – চোৱাচোন খুৰা, দেউতাই ৰাজ দাদাক বাইক খননো কিয় কিনি দিব লাগে. আজিকালি কিমান দুৰ্ঘটনা হয়। মোক হ'লে চাইকেল এখনেই নিদিয়ে।

দিলীপ – সঁচা...। আজিকালি দুচকীয়া বাহন, মানে চাইকেল, বাইক বা স্কুটাৰ, এইবোৰৰ বাবেও ৰাস্তাবোৰ একেবাৰেই সুবিধাজনক হৈ থকা নাই। তোমালোকে জানানে পুণে চহৰখন এসময়ত বাইচাইকেল চিটি বুলি জনাজাত আছিল। এতিয়া পিছে চাইকেলৰ বদলি সকলোৱে বাইকহে চলায়।

ৰাজ – আচলতে বাইক লৈ ভিৰৰ মাজত জোৰেৰে যাবলৈ সুবিধা আৰু য'তে ত'তে পাৰ্ক কৰিও থব পাৰি। সেইবাবেই বাইক লৈ ওলাই গৈ সকলোৱেই ভাল পায়।

দিলীপ – কিন্তু বাইক বা চাইকেল চলোৱা মানুহে হেলমেট আৰু পাৰিলে  ৰিফ্লেক্টিভ জেকেট পিন্ধিবই লাগে। ক'ৰবাত অকণমান খুন্দা খালেই ওফৰি পৰে নহয়।

নীতা – ৰাজ দাদা, তুমি কিন্তু ভিৰৰ মাজত জোৰকৈ বাইক চলাই নাযাবা।

ৰাজ – হ'ব দে, মই তেনেকুৱা ল'ৰা নহয়।

অনন্ত – আৰু বাৰিষা কি হয়, এই চাৰি চকীয়া গাড়ী মটৰ বোৰে ৰাস্তাৰ পানী জমা হৈ থকা গাঁতবোৰ চাৰি চকাৰ মাজত ৰাখি পাৰ হৈ যায় নহয়, গতিকে পিছত থকা বাইকবোৰে ক'ত গাঁত আছে ভালকৈ ধৰিব নোৱাৰে। হঠাতে সমুখত গাঁত দেখিলে হয় ব্ৰাক মাৰিব লাগে নহয় গাঁতৰ ওপৰেদিয়েই বাইক খন চলাই লৈ যাব লাগে। গতিকে ভাৰসাম্য ৰাখিব নোৱাৰি কেতিয়াবা পৰিয়েই যায়। আৰু হঠাতে ব্ৰেক মাৰি ৰখাই দিলে পিছফালে আহি থকা গাড়ীয়েও খুন্দিয়াই দিয়আৰ আশংকা থাকে।

মিনতি – এইবোৰ কথা জানাই যদি ৰাজক বাইক খননো কিয় দিছা?

ৰাজ – আস্ মা, মই একেবাৰে গাড়ীৰ পিছে পিছেই গৈ নাথাকো নহয়। যথেষ্ট ব্যৱধান ৰাখো। আৰু হেলমেট পিন্ধিয়েই যাওঁ দেখোন সদায়।

অনন্ত – ওঁ। সাৱধানে চলিবি দেই ৰাজ। পিছে এই ৰাস্তাৰ গাঁতবোৰনো কিয় থাকিব লাগে? আমাৰ ৰাস্তা বলোৱা অভিসন্তা, ঠিকাদাৰ আদি বোৰতো ইমান অদক্ষ নহয়। প্ৰকৃততে কিছু ঠিকাদাৰে বোৰে ধন বচাবলৈ গৈ সস্তীয়া বস্তু ব্যৱহাৰ কৰি পথ নিৰ্মাণ কৰে। দিলীপে এই বিষয়ে ভালদৰে জানিব।

দিলীপ – ও পথ নিৰ্মাণৰ বাবে বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰা হয়। বিটুমেন বা এচফাল্ট ব্যৱহাৰ কৰি নিৰ্মাণ কৰা পথবোৰ বৰ মসৃণ হয়, পিছে কংক্ৰীটৰ ৰাস্তাৰ দৰে দীৰ্ঘস্থায়ী নহয়।

নীতা – বিটুমেন কি খুৰা?

দিলীপ – বিটুমেন হ'ল পেট্ৰ'লিয়াম শোধন কৰোতে পোৱা এটা উপসাত দ্ৰব্য। কংক্ৰীতৰ পথ নিৰ্মাণ কৰোতে চিমেন্ট ব্যৱহাৰ কৰা হয়। আজিকালি পেভাৰ ব্লক আৰু cobbled নামৰ বিশেষ এবিধ পাথৰ ব্যৱহাৰ কৰিও কিছুমান পথ সজা হয়।

নীতা – আমাৰ ঘৰৰ সমুখৰ ৰাস্তাটোও পেভাৰ ব্লকেৰে সাজিলে নতুনকৈ। এতিয়া কিমান ভাল হ'ল ৰাস্তাটো।

দিলীপ – আচলতে উপযুক্ত সামগ্ৰী ব্যৱহাৰ কৰি, পানী যাবলৈ নলা নৰ্দমাৰ ভাল সুবিধা ৰাখি পথ নিৰ্মাণ কৰিলে বহু দিনলৈ ভালে থাকে। পিছে কেতিয়াবা অজ্ঞতাৰ বাবেই হওক বা ইচ্ছাকৃত ই হওক পথ নিৰ্মাণ কৰোতে বহুতো আসোঁৱাহ ৰৈ যায়। ৰাস্তা বেয়া হৈ নেযাবৰ বাবে ইঞ্জিনিয়াৰ, ঠিকাদাৰ সকলোবোৰে সুদক্ষ হ'ব লাগে। নক্সাও ভালদৰে প্ৰস্তুত কৰিব লাগে।

দিলীপ – এতিয়া ভাৰতৰ বিভিন্ন ৰাজ্য যেনে ক'লকাতা, দিল্লী, বাংগালুৰু, মুম্বাই, চেন্নাই, হাইদৰাবাদ আদিত মেট্ৰ' ৰেল চলিছে। মুম্বাইত যে মেট্ৰ' ৰেল নিৰ্মাণৰ কাম চলি আছে, সেয়া হেনো ২০২১ চনত হে সম্পূৰ্ণ হ'বগৈ। কিন্তু যে গতিত কাম চলিছে কিমান বছৰ লাগে ঠিক নাই। তাত কিমান যে টকা খৰচ কৰিছে চৰকাৰে।

নীতা- আমাৰ ইয়াৰো ব্ৰহ্মপুত্ৰ নদীৰ ওপৰৰ নতুন দলং খন নিৰ্মাণ কৰোতে কিমান যে সময় লাগিল। মই যে অংকুৰত পঢ়ি থকাৰ পৰাই দেখিছো সাজি থকা। এতিয়া হে হ'লগৈ কোনোমতে।

মিনতি – হয় দেই। এটা সময়ত জালুকবাৰীৰ ওচৰত কিমান যে অসুবিধা হৈছিল। উত্তৰ গুৱাহাটীলৈ গ'লে ইমান যান-জট পাওঁ। এতিয়া পিছে বেছ সুবিধাজনক হৈছেগৈ।

অনন্ত – চৰকাৰৰ কাম কাজবোৰ সদায় এনেকুৱাই। ভালদৰে আঁচনি প্ৰস্তুত কৰি কামবোৰ আৰম্ভ নকৰে নেকি? আৰু, দিল্লী, মুম্বাইৰ দৰে ডাঙৰ ডাঙৰ চহৰবোৰতেই ৰাস্তা ঘাট নিৰ্মাণত বহু ধন খৰচ কৰি পেলালেতো নহ'ব। ভাৰতৰ সকলোবোৰ সৰু- বৰ নগৰ চহৰৰ পথ নিৰ্মাণত কেন্দ্ৰীয় চৰকাৰে সমানে গুৰুত্ব দিব লাগিব।

মিনতি – অসমলৈ প্ৰতিবছৰে কিমান পৰ্যটক আহে। ৰাজ্য চৰকাৰে পৰ্যটকৰ সুবিধাৰ বাবেও অসমৰ ৰাস্তা ঘাট নিৰ্মাণত গুৰুত্ব দিব লাগে।

অনন্ত – মই অলপতে শিলচৰৰ পৰা আহিলোঁ নহয়, অফিচৰ কামত। এতিয়া পিছে ৰাস্তা বৰ ভালহৈ আছে দেই। পিছে বাৰিষা আকৌ ভূমিস্খলন হ'লেহে অসুবিধা হয়। শিলচৰলৈ গলেও টাউন খনতো বৰ যান-জট পাওঁ।

দিলীপ – প্ৰকৃততে নগৰ চহৰৰ ৰাস্তা পদুলিৰ বহন ক্ষমতাৰ ওপৰত  গুৰুত্ব দি চৰকাৰে ভালদৰে আঁচনি প্ৰস্তুত কৰিব লাগে। যান জট কমাবৰ বাবে নগৰ মহানগৰ বোৰত দ্ৰুত পৰিবহন ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰিব লাগে। গুৱাহাটীত মেট্ৰ' ৰেল প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হৈছিল যদিও সোনকালে এই ব্যৱস্থা প্ৰৱৰ্তন হোৱাৰ আশা নাই। আৰু মেট্ৰ' ৰেল যথেষ্ট ব্যয়বহুল। সেয়েহে চৰকাৰে গুৱাহাটীত দ্ৰুত বাছ পৰিবহন ব্যৱস্থাৰ (Rapid Bus Transit System) বাবেও প্ৰস্তাৱ হাতত লৈছে। পিছে সেই ব্যৱস্থাও কাৰ্যকৰী হৈ উঠা নাই। দ্ৰুত গতিত চলিব পৰা বাছ দিলেইতো নহ'ব। চেই বাছ চলিবৰ বাবে বিশেষজ্ঞৰ সহায়ত ভালদৰে আঁচনি প্ৰস্তুত কৰি বেলেগ ৰাস্তা বনাব লাগিব। সৰু যান-বাহনৰ লগত দ্ৰুত গতিৰ বাছ একেটা পথেৰে চলিলে কোনো লাভেই নহয়, উলোটাই অসুবিধাহে বেছি হয়।

মিনতি – ও, গুৱহাটী সেই  JNRUM ৰ ডাঙৰ ডাঙোৰ বাছবোৰ চলিছে যে, ৰাস্তাত আৰু বেলেগ যান-নাহনৰ বাবে জেগাই নাথাকে।

দিলীপ – দ্ৰুত বাছ বোৰ ৰখাবলৈ ভাল পাৰ্কিঙৰ সুবিধাও লাগিব, বহু টকা পইচা খৰচ কৰিব লাগিব। আৰু আমাৰ ইয়াত জলপথৰ ব্যৱস্থাও আছে নহয়, ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ বুকুৰে কিমান যাতায়াত হয়, মানুহ আৰু বয় বস্তু ইপাৰ সিপাৰ হৈ থাকে সেই ব্যৱস্থাও উন্নত কৰিব লাগে।

অনন্ত – মই পিছে আশাবাদী। চৰকাৰে নিশ্চয় পৰিবহন ব্যৱস্থা উন্নত কৰিবলৈ বিশেষ মনযোগ দিব। BRT, মেট্ৰ' সকলোবোৰেই এসময়ত হ'বগৈ। চাইকেল আৰোহী অথবা পথচাৰীৰ সুবিধাৰ বাবেও নিশ্চয় চৰকাৰে ভাল ভাল অঁচনি তৈয়াৰ কৰিব।

মিনতি – এৰা, ভাল দিন নিশ্চয় আহিব।

নীতা – আজি আমাৰ আৰু ফুৰিবলৈ যোৱা নহ'লগৈ।

আইতা – এৰা অ' তাৰ বৰ আশা কৰি আছিল।

দিলীপ – আমি নহ'লে গধূলি আটাই কেইটা একেলগে ওলাই গৈ এখন ভাল ৰেষ্টুৰেন্টত খাই আহিম দেই।

নীতা – ই ... য়ে... মজা ...হ'ব। (চিঞৰি উঠে।) গধূলি আমি চবেই একেখন গাড়ীতেই যাম দেই।

অনন্ত – ওঁ। নহ’লে ৰাস্তাত গাড়ীৰ সংখ্যা বাঢ়িহে যাব।

মিনতি – সকলোৱে এনেদৰে চিন্তা কৰা হ’লেতো কথাই নাছিল...

দিলীপ – কৰিবই লাগিব। অকল চৰকাৰে কি কৰা উচিত সেইটোকে কৈ থাকিলে নহ’ব নহয়। ৰাস্তাৰ যান-জট কমাবলৈ সকলোৱেই চিন্তা কৰিব লাগিব। তেহে প্ৰদূষণো কমিব। গোলকীয় উত্তাপো নিয়ন্ত্ৰণ হ’ব। নহ’লে আমাৰ বিপদেই বিপদ ...

*********************************************************************

প্ৰশ্ন

১. পথ নিৰ্মাণ কৰোঁতে ব্যৱহাৰ কৰা দুবিধ সামগ্ৰী কি কি?

- বিটুমেন বা এচফাল্ট আৰু চিমেন্ট।

২. দুচকীয়া বাহন চলাওঁতে ল’বলগীয়া দুতা সাৱধানতা কি কি?

- হেলমেট আৰু ৰিফ্লেক্টিভ জেকেট

*********************************************************************